জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৩/২০২৩**

# জ্ঞানপীঠ বঁটা বিজয়ী যশস্বী কবি নীলমণি ফুকনৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গভীৰ শোক প্ৰকাশ

## বিশিষ্ট কবিগৰাকীৰ শেষকৃত্য সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জ্ঞানপীঠ বঁটা বিজয়ী যশস্বী কবি নীলমণি ফুকনৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তাযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সাহিত্য সৃষ্টিৰে অসমৰ সমাজ জীৱনক যিসকল মহাত্মাই ধন্য কৰি গৈছে তাৰে অন্যতম উজ্জ্বল নক্ষত্ৰ কাব্যঋষি নীলমণি ফুকনে অসমীয়া কাব্য জগতত স্বমহিমাৰে মণ্ডিত হৈ আধুনিক অসমীয়া কবিতাক বিশেষ মাত্ৰা প্ৰদান কৰিছিল। অসাধাৰণ কাব্যশিল্পৰ জৰিয়তে বিশিষ্ট কবিগৰাকীয়ে অসমীয়া সাহিত্যৰ জগতলৈ যি অনন্য অৱদান আগবঢ়াই গৈছে সেয়া চিৰস্মৰণীয় হৈ থাকিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জ্ঞানপীঠ বঁটাৰে বিভূষিত ফুকনে অসমীয়া কবিতা-ভাষা-সাহিত্যৰ বৰপেৰা চহকী কৰাৰ লগতে সৃষ্টিশীলতাৰ অনন্য পৰিভাষা জাতিটোলৈ আগবঢ়াই গ'ল। তেখেতৰ বিয়োগ অসম আৰু অসমীয়া জাতিসত্তাৰ বাবে কাহানিও পূৰণ কৰিব নোৱাৰা ক্ষতি বুলিও অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে বিশিষ্ট কবিগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশিষ্ট কবিগৰাকীৰ শেষকৃত্য সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবেও প্ৰশাসনক নিৰ্দেশ প্ৰদান কৰে।

**নিঃকুঃদাঃ**
**১৯/১/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in